# অসম দেশৰ মই অসমীয়া ঃ এক আত্মানুসন্ধান

**প্ৰণৱ শইকীয়া**

◆◆

*জাতি গঠন কেৱল ৰাজনৈতিকভাৱে নহয়। ই এটা বহুমাত্ৰিক প্ৰক্ৰিয়া। মই জাতি হিচাপে বিকশিত হোৱাৰ প্ৰক্ৰিয়াটোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদানৰ কথা ক'বই লাগিব। সচৰাচৰ অসমীয়াৰ মাজত থকা জড়তা আৰু আত্মতুষ্টি তেখেতৰ নাছিল। তেখেত আছিল যুগপুৰুষ। ভাৰতভূমিৰ তীৰ্থসমূহ বিচৰণ কৰি আহি তেখেতে মোৰ দেশত ভক্তিৰসেৰে বৰ্ণহীন, সমতাপূৰ্ণ এখন সমাজৰ বীজ ৰোপণ কৰিছিল। অভিনৱ এটি সাংস্কৃতিক জীৱন আৰু সমাজ দৰ্শন সাধাৰণজনৰ মাজত দাঙি ধৰিছিল। ব্যক্তি আৰু সমাজে মোৰ দেশত প্ৰথমবাৰৰ বাবে আধ্যাত্মিক দৰ্শনেৰে জীৱনক পৰিপূৰ্ণ কৰি তুলিছিল। মানুহ হিচাপে, জাতি হিচাপে ইয়াৰদ্বাৰা মই উৎকৰ্ষৰ জখলাৰ শীৰ্ষ বিন্দুৰ দিশে ধাৱিত হৈছিলোঁ।*

◆◆◆

সূৰ্য উঠা দেশ অসমৰ মই অসমীয়া। বিশাল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে মই বিচৰণ কৰোঁ। মই দেখাত ক্ষুদ্ৰ, কিন্তু বস্তুতঃ মই সাগৰ গভীৰ। মোৰ দেশ মানুহৰ দেশ, মানুহে মানুহক ভাল পোৱা দেশ। মানুহে মানুহক আঁকোৱালি লৈ আপোন কৰি লোৱা দেশ। মোৰ দেশ বৈচিত্ৰ্যৰ দেশ। গছ-বন, পাহাৰ-নদী, ফল-ফুলেৰে ভৰা সেউজীয়া দেশ। সাৰুৱা দেশ। আৰামৰ দেশ। মোৰ দেশলৈ মানুহ আহি ভাল পায়। কিন্তু মই মোৰ মৰমৰ দেশত বাস কৰাৰ মধুৰ আমেজত এই দেশ এৰি ক্ষণিকৰ বাবেও বাহিৰলৈ যাব নোখোজোঁ। আৰু কি যে আচৰিত কথা—মোৰ দেশলৈ অহা কোনেও ঘূৰি যাব নোখোজে। সঁচাই বিনন্দীয়া মোৰ দেশ! সেয়ে মই কওঁ, যদিও মই ক্ষুদ্ৰ, মোৰ আছে সাগৰৰ দৰে বিশালতা। আনক আপোন কৰি লোৱাৰ মহানতা!

অসম আৰু অসমীয়া—এক অভিন্ন সত্তা। ইয়াক পৃথক কৰা মানে দেহৰপৰা আত্মাক বিতাড়িত কৰা। যাৰ অন্য নাম মৃত্যু। অসম দেশৰ কোমল কোলাত আশ্ৰয় লোৱা, এই দেশৰ মাটি, পানী, বায়ু আৰু মানুহক নিজৰ বুলি ভবা প্ৰতিজনেই অসমীয়া। সেই যে স্বৰ্গদেউ চুকাফা হাবি-বন ফালি হাজাৰ কণ্টক অতিক্ৰমি মোৰেই বুকুত জুৰাইছিল। যিদৰে পৰ্বত এৰি সাগৰৰ বুকুত জাহ যাবলৈ নদী ব্যাকুল, ঠিক সেইদৰে তেওঁ মোৰ দেশৰ মাটি-পানী, মানুহৰ সংস্পৰ্শত মোৰ বিশালতাত জীণ গৈছিল। সাতৰাজ মাৰি একৰাজ প্ৰতিষ্ঠা কৰিছিল। পাহাৰ-ভৈয়ামত এৰা-ধৰাৰ মাজেৰে সম্প্ৰীতিৰ জৰী গাঁঠিছিল। মোৰ দেশত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জনসমষ্টিবোৰ লাহে লাহে এই সম্প্ৰীতিৰ জৰীত বান্ধ খাইছিল। ক্ৰমশঃ অসম দেশৰ বুকুত মই অংকুৰিত হৈছিলোঁ। এটা অভিনৱ অনন্য একক পৰিচয়েৰে—অসমীয়া জাতি। মই বিকশিত হৈছিলোঁ আঁহে আঁহে কোঁহে কোঁহে। নিৰৱে সুগমে। সুদৃঢ় আছিল মোৰ দেশৰ ৰাজনৈতিক নেতৃত্ব। বলিষ্ঠ নেতৃত্বত মোৰ পৰিচয় আছিল অসমীয়া। অসম আছিল সকলোৰে মাতৃভূমি। সম্পদৰ সময়ত মই বৰ আৰামদায়ক জীৱন কটাইছিলোঁ। মোৰ উচ্চাকাংক্ষা একো নাছিল। বাঁহ-কাঠ-খেৰৰ ঘৰখনেই মোৰ বাবে স্বৰ্গ আছিল। মোৰ ওচৰ-চুবুৰীয়াজনেই মোৰ বাবে ভগৱান আছিল। মই তীৰ্থ ভ্ৰমণ কৰা নাছিলোঁ। মোৰ বাবে অতিথি দেৱ ভৱ আছিল। সাধাৰণ আশা, সাধাৰণ আকাংক্ষা আৰু সাধাৰণ জীৱন মোৰ প্ৰিয় আছিল। কিন্তু যেতিয়া মাতৃভূমিৰ প্ৰয়োজন হয় মই হৈ পৰিছিলোঁ অদম্য ৰণুৱা যোঁৱা। মোৰ দেশ ৰক্ষাৰ বাবে মাৰিবলৈ বা মৰিবলৈ মই ভয় নকৰিছিলোঁ। যদিও মই আৰামপ্ৰিয়, উচ্চাকাংক্ষাহীন আৰু সাধাৰণ আছিলোঁ, কিন্তু মাতৃভূমিৰ বাবে মই সদা জাগ্ৰত, একনিষ্ঠ আৰু উৎসৰ্গীকৃত অসাধাৰণ ৰণুৱা আছিলোঁ। মই কোনো বিষয়তে অসাধাৰণ বিশেষজ্ঞ নাছিলোঁ কিন্তু সকলো বিষয়তে মই কৰ্মক্ষমভাৱে পটু আছিলোঁ। মোগল সেনাপতি ৰামসিংহয়ো অৱশ্যে এই কথাটো স্বীকাৰ কৰিছিল।

জাতি গঠন কেৱল ৰাজনৈতিকভাৱে নহয়। ই এটা বহুমাত্ৰিক প্ৰক্ৰিয়া। মই জাতি হিচাপে বিকশিত হোৱাৰ প্ৰক্ৰিয়াটোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদানৰ কথা ক'বই লাগিব। সচৰাচৰ অসমীয়াৰ মাজত থকা জড়তা আৰু আত্মতুষ্টি তেখেতৰ নাছিল। তেখেত আছিল যুগপুৰুষ। ভাৰতভূমিৰ তীৰ্থসমূহ বিচৰণ কৰি আহি তেখেতে মোৰ দেশত ভক্তিৰসেৰে বৰ্ণহীন, সমতাপূৰ্ণ এখন সমাজৰ বীজ ৰোপণ কৰিছিল। অভিনৱ এটি সাংস্কৃতিক জীৱন আৰু সমাজ দৰ্শন সাধাৰণজনৰ মাজত দাঙি ধৰিছিল। ব্যক্তি আৰু সমাজে মোৰ দেশত প্ৰথমবাৰৰ বাবে আধ্যাত্মিক দৰ্শনেৰে জীৱনক পৰিপূৰ্ণ কৰি তুলিছিল। মানুহ হিচাপে, জাতি হিচাপে ইয়াৰদ্বাৰা মই উৎকৰ্ষৰ জখলাৰ শীৰ্ষ বিন্দুৰ দিশে ধাৱিত হৈছিলোঁ।

উত্থান-পতন সকলোৰে থাকে। মোৰো হ'ল। অন্তঃকলহ আৰু ভাতৃঘাতী সংঘাতত মই বিধ্বস্ত হ'লোঁ। দেশত ৰাজনৈতিক নেতৃত্ব শূন্য হ'ল। দেশ গুচি ৰসাতল হ'ল। মান আহিল। মোৰ দেশত প্ৰজাৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ হ'ল। কাটিলে, মাৰিলে আৰু ধৰি লৈ গ'ল বহুজনক। দেশ এৰি পলাই গ'ল বহুজন। মোৰ দেশৰ মান-যশ, শান্তি-সম্প্ৰীতি, একতা, শক্তি সকলো হেৰাই গ'ল। মোৰ দেশ মৰিশালি হ'ল। মই মোৰ জাতিসত্তাৰ স্বৰূপ হেৰুৱালোঁ। মোৰ স্বতন্ত্ৰতা আৰু স্বকীয়তা থৰক-বৰক হ'ল। মোৰ মনস্তত্ত্ব পূৰ্বৰ নিশ্চয়তাৰ পৰিৱৰ্তে অনিশ্চয়তা, শংকা আৰু ভয়েৰে ভৰি পৰিল। মোৰ মনস্তত্ত্বৰপৰা অসমীয়া জাতিসত্তাৰ বৃহৎ ৰূপটো ক্ৰমে টুটি আহিল। ব্যক্তিগত মনস্তত্ত্বত অহৰহ নিজৰ জীৱনৰ সুৰক্ষা আৰু জীৱিকাৰ কথাই ক্ৰিয়া কৰিবলৈ ধৰিলে।